৪) প্ৰাচীন অসমীয়া গ্ৰন্থসমূহত অষ্ট্ৰিক সকলক কি নামেৰে বুঝোৱা হৈছিল ? অষ্ট্ৰিক সকলৰ আৱয়বিক লক্ষণসমূহ উল্লেখ কৰি অসমীয়া সংস্কৃতিত অষ্ট্ৰিক সকলৰ সাংস্কৃতিক উপাদান বিচাৰ কৰা। ১+৩+১০=১৪

Unit - III

৫) মাতৃসূত্ৰীয় সমাজ-ব্যৱস্থা বুলিলে কি বুজা ? এই মাতৃসূত্ৰীয় সমাজ-ব্যৱস্থাৰে পৰিচালিত উত্তৰ-পূৰ্বাঞ্চলৰ দুটা জনজাতিৰ নাম লিখি ইয়াৰে যিকোনো এটাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনধাৰাৰ পৰিচয় দিয়া। ২+২+১০=১৪

অথবা

৬) 'মিচিং' অথবা 'চিংফৌ' জনগোষ্ঠীৰ নৃতাত্ত্বিক পৰিচয়, সমাজ-ব্যৱস্থা, ধৰ্মীয় পৰম্পৰা, খাদ্যাভাস, জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় লোকাচাৰ আৰু উৎসৱ-পাৰ্বন আদি সামৰি এটি প্ৰবন্ধ লিখা। ১৪

Unit - IV

৭) জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা (Caste Tribe Continuum) বুলিলে কি বুজা ? 'সোনোৱাল কছাৰী' নতুবা 'হাজং' সকলৰ সমাজ-সংস্কৃতিত জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা বিচাৰ কৰা। ৪+১০=১৪

অথবা

৮) উত্তৰ-পূৰ্বাঞ্চলৰ ভাষিক বিচিত্ৰতাৰ আভাস দি 'নাগামিজ' ভাষাৰ বিষয়ে এক পৰিচয়সূচক আলোচনা আগবঢ়োৱা। ৬+৮=১৪

Unit - V

৯) ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় মৌখিক সাহিত্যৰ চাৰিটা বৈশিষ্ট্য লিখি কাৰবিসকলৰ মৌখিক সাহিত্যৰ এটি পৰিচয় দিয়া। ৪+১০=১৪

অথবা

১০) ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লিখিত সাহিত্যৰ বিশিষ্টতা দাঙি ধৰি অসমীয়া সাহিত্যলৈ বহুমূলীয়া অৱদান আগবঢ়োৱা যিকোনো এগৰাকী জনজাতীয় মূলৰ লেখকৰ সাহিত্যকৃতিৰ বিষয়ে লিখা। ৪+১০=১৪

★★★

PG (NEP) Even Semester Examination, May 2025

ASSAMESE

2nd Semester

Course No : ASMALIF - 555

(North East India Studies)

Full Marks : 70

Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Unit - I

১) 'প্ৰাগজ্যোতিষপুৰ', 'কামৰূপ' আৰু 'অসম' এই নামকেইটাৰ উৎপত্তি সম্পৰ্কে থকা মতবাদসমূহ লিখি পৌৰাণিক গ্ৰন্থ, ঐতিহাসিক মসল যেনে - শিলালিপি, পৰ্যটকৰ টোকা আদিত 'প্ৰাগজ্যোতিষপুৰ' আৰু 'কামৰূপ'ৰ প্ৰসিদ্ধিয়ে কেনেদৰে ঠাই পাইছে, লিখা। ৬+৮=১৪

অথবা

২) ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ চমু পৰিচয় দি এই অঞ্চলত বসবাস কৰা লোক সকলৰ মাজত থকা নৃতাত্ত্বিক আৰু সাংস্কৃতিক মিল বা সাদৃশ্যসমূহ বিশ্লেষণ কৰি দেখুওৱা। ৪+১০=১৪

Unit - II

৩) অসমৰ অধিবাসীসকলৰ নৃগোষ্ঠীয় পৰিচয় দাঙি ধৰি এই ভিন ভিন নৃগোষ্ঠীৰ লোকসকলৰ ক'ৰ পৰা, কেতিয়া, কোন পথেৰে অসমলৈ প্ৰব্ৰজন ঘটিছিল আলোচনা কৰা। ৭+৭=১৪

অথবা

(Turn Over)